# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 26-OCT-2025
**Time :** 1845 HRS

# *Assamese Evening Bulletin*
# *Headlines*
-------------------

১।   বিশ্বত ভাৰতীয় কফিৰ পৰিচয় শক্তিশালী কৰাৰ ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলৰ কফিয়ে বিশেষ ভূমিকা ল'ব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন কী বাতত প্ৰকাশ।

২।   মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিৰ দ্বিতীয় পৰ্যায়ৰ অধীনত কাইলৈ ছাত্ৰীসকলৰ মাজত চেক বিতৰণ।

৩।   বিশিষ্ট চিত্ৰশিল্পী জিতেন হাজৰিকা আৰু যুৱ চিত্ৰশিল্পী চিমি দাসলৈ ২০২৫ বৰ্ষৰ বেণু মিশ্ৰ সোঁৱৰণী এন আৰ এল বঁটা ঘোষণা।

৪।   ৰাজ্যৰ বিভিন্ন প্ৰান্তত ষট্ পূজা পালনৰ প্ৰস্তুতি সম্পূৰ্ণ।

*আৰু*

৫।   অৰুণাচল প্ৰদেশৰ নামচাইত আৰক্ষী আৰু আছাম ৰাইফলছৰ যুটীয়া অভিযানত আজি আলফা স্বাধীনৰ এজন সদস্যক গ্ৰেপ্তাৰ।

ooooo

ভাৰতৰ কফিৰ জনপ্ৰিয়তা বৰ্তমান বিশ্বজুৰি বৃদ্ধি পাইছে। উত্তৰ পূৰ্বাঞ্চলতো সম্প্ৰতি কফি খেতি জনপ্ৰিয় হৈছে আৰু উত্তৰ-পূবৰ কফিয়ে বিশ্বত ভাৰতীয় কফিৰ পৰিচয় শক্তিশালী কৰাত ভূমিকা ল'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আকাশবাণীযোগে প্ৰচাৰিত মন কী বাত অনুষ্ঠানত আজি এইদৰে কয়।

প্ৰধানমন্ত্ৰীয়ে ষট্ পূজাৰ কথা উল্লেখ কৰি কয়, যে এই উৎসৱ হৈছে সংস্কৃতি, প্ৰকৃতি আৰু সমাজৰ গভীৰ একাত্মবোধৰ প্ৰতিফলন। তেওঁ সমগ্ৰ দেশবাসীলৈ ষট্ পূজাৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে।

শ্ৰীমোদীয়ে অপাৰেচন সিন্দূৰে প্ৰতিগৰাকী ভাৰতীয়ক গৌৰৱান্বিত কৰিলে বুলি মন কী বাতত প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে এইবাৰৰ দীপাৱলীত এসময়ত মাওবাদী সন্ত্ৰাসৰ প্ৰভাৱ থকা অঞ্চলতো চাকিৰ পোহৰে উৎসৱমুখৰ পৰিবেশৰ সৃষ্টি কৰিলে। উৎসৱৰ বতৰত থলুৱা সামগ্ৰীৰ আদৰ তথা বিক্ৰী বৃদ্ধি হোৱাৰ কথাত তেওঁ আনন্দ প্ৰকাশ কৰে। শ্ৰীমোদীয়ে লগতে জি এছ্ টি সঞ্চয় উৎসৱক লৈ জনসাধাৰণৰ মাজত উৎসাহ বৃদ্ধি পোৱা বিষয়টোত সন্তুষ্টি প্ৰকাশ কৰে।

**ৰাইট (প্ৰধানমন্ত্ৰী) - ১**

প্ৰধানমন্ত্ৰীগৰাকীয়ে অহা ৩১ অক্টোবৰত পালন কৰিবলগীয়া চৰ্দাৰ বল্লভ ভাই পেটেলৰ জন্মদিৱসৰ কথা উল্লেখ কৰি কয়, যে চৰ্দাৰ পেটেলৰ ১৫০ বছৰীয়া জয়ন্তী সমগ্ৰ দেশৰ বাবে এটা বিশেষ অনুষ্ঠান। দেশৰ প্ৰতি চৰ্দাৰ পেটেলৰ অৱদানক প্ৰধানমন্ত্ৰীয়ে গভীৰভাৱে স্মৰণ কৰে। তেওঁ চৰ্দাৰ পেটেলৰ সোঁৱৰণত ৩১ অক্টোবৰত দেশজুৰি হ'বলগীয়া একতাৰ দৌৰত অংশগ্ৰহণ কৰিবলৈ সকলোকে আহ্বান জনায়।

প্ৰধানমন্ত্ৰীয়ে অহা ৭ নৱেম্বৰত ভাৰতৰ ৰাষ্ট্ৰীয় গীত **বন্দে মাতৰম**ৰ ১৫০ বছৰ সম্পূৰ্ণ হ'ব বুলি প্ৰকাশ কৰি ইয়াৰ আঁৰত নিহিত হৈ থকা ভাৱাদৰ্শৰ কথা উল্লেখ কৰে।

**বাইট (প্ৰধানমন্ত্ৰী) - ২**

০০০০০০০০

নাৰী শিক্ষাৰ ক্ষেত্ৰত যুগান্তকাৰী পদক্ষেপ হিচাপে মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিৰ দ্বিতীয় পৰ্যায়ৰ অধীনত কাইলৈ ছাত্ৰীসকলৰ মাজত চেক বিতৰণ কৰা হ'ব। উচ্চ শিক্ষা আহৰণৰ দিশত ৰাজ্যৰ ১০ লাখ কন্যা শিক্ষাৰ্থীৰ সুবিধাৰ্থে ৰাজ্য চৰকাৰে এই অভিলাষী পদক্ষেপ গ্ৰহণ কৰিছে। এই আঁচনিখনৰ জৰিয়তে মহাবিদ্যালয়ত ছাত্ৰীৰ নামভৰ্তিৰ সংখ্যা বৃদ্ধি, বাল্যবিবাহ তথা কৈশোৰকালৰ মাতৃত্ব প্ৰতিৰোধ, প্ৰতিগৰাকী কন্যা শিশুৰ শিক্ষা, স্বাস্থ্য আৰু সুৰক্ষা সুনিশ্চিত হৈছে। ২০২৪-২৫ বৰ্ষত এই আঁচনিৰ অধীনত এক লাখ ৬০ হাজাৰ ছাত্ৰীলৈ ১৩৩ কোটি টকা মোকলাই দিয়াৰ বিপৰীতে ২০২৫-২৬ বৰ্ষত ৩ লাখ ৫০ হাজাৰ ছাত্ৰীক নিযুত মইনা আঁচনিৰ সুবিধা প্ৰদানৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। কাইলৈ সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়াপ্ৰকল্পত এই আঁচনিৰ চেক বিতৰণৰ কেন্দ্ৰীয় কাৰ্যসূচী অনুষ্ঠিত হ'ব। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি, পূব গুৱাহাটীৰ বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্যকে ধৰি আন কেইবাগৰাকী বিধায়ক উপস্থিত থাকিব।

০০০০০

অসম বিধানসভাৰ শীতকালীন অধিৱেশন অহা ২৫ নৱেম্বৰত আৰম্ভ হ'ব। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ ভাষণেৰে আৰম্ভ হ'বলগীয়া এইবাৰৰ অধিৱেশনত কেইবাখনো বিধেয়ক উত্থাপন কৰাৰ উপৰি গুৰুত্বপূৰ্ণ প্ৰতিবেদন দাখিল কৰা হ'ব। ৰাজ্য চৰকাৰে বিধানসভাৰ শীতকালীন অধিৱেশনত লাভ জেহাদ, বহু বিবাহৰ বিৰুদ্ধে বিধেয়ক আৰু সত্ৰৰ সংৰক্ষণ সন্দৰ্ভত কেইবাখনো বিধেয়ক উত্থাপন কৰাৰ সিদ্ধান্ত লৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ইতিমধ্যে এই বিষয়ে প্ৰকাশ কৰিছে। তদুপৰি ছয় জনগোষ্ঠীৰ জনজাতিকৰণ সন্দৰ্ভত মন্ত্ৰীগোটৰ প্ৰতিবেদনৰ লগতে নেলী হত্যাকাণ্ডক লৈ গঠন কৰা তিৱাৰী আয়োগৰ প্ৰতিবেদন বিধানসভাত দাখিল কৰা হ'ব। একেদৰে চাহ বাগিচাৰ শ্ৰমিকক ভূমিৰ অধিকাৰ প্ৰদান আৰু অসমৰ প্ৰতিখন চিকিৎসা মহাবিদ্যালয়ত চাহ বাগিচাৰ শিক্ষাৰ্থীসকলৰ বাবে ৪ খনকৈ আসন সংৰক্ষণ কৰাৰ বাবে বিধানসভাত বিধেয়ক উত্থাপন কৰা হ'ব।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত হিন্দু ধৰ্মৰ অন্যতম প্ৰাচীন উৎসৱ ষট্ পূজা পালনৰ সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। এই উপলক্ষে গুৱাহাটীৰ আৰক্ষী উপ-আয়ুক্ত কাৰ্যালয়ে কাইলৈ আৰু পৰহিলৈ মহানগৰীখনত যানবাহন চলাচলৰ ক্ষেত্ৰত কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। কাইলৈ দিনৰ ১১ বজাৰ পৰা পৰহিলৈ দিনৰ ১১ বজালৈ এই নিৰ্দেশনাসমূহ কাৰ্যকৰী হ'ব। এই অনুসৰি গুৱাহাটী মহানগৰীত এই সময়ছোৱাত সামগ্ৰী পৰিবাহী গধূৰ বাণিজ্যিক বাহন আৰু অন্য গধূৰ বাহন প্ৰৱেশত বাধা আৰোপ কৰা হৈছে। অৱশ্যে মাছখোৱা অঞ্চলত পূজাৰ সামগ্ৰী আৰু ভক্তসকলক কঢ়িয়াই নিয়া বাহনসমূহ চলাচলত অনুমতি দিয়া হ'ব। ঠেলা, ৰিক্সা, ঘোঁৰাগাড়ীকে ধৰি লঘূ বাহনসমূহ মাছখোৱাৰ পৰা মুখ্য ন্যায়াধীশৰ ভৱনলৈ পথছোৱাত এই সময়ছোৱাত চলাচলৰ অনুমতি দিয়া হ'ব। তদুপৰি আন্তঃজিলা বাছসমূহ ৰাষ্ট্ৰীয় ঘাইপথেৰেহে চলাচল কৰাৰ অনুমতি দিয়া হৈছে। ভৰলুমুখৰ দিশৰ পৰা চানমাৰি অভিমুখী ছিটী বাছসমূহ এইছ বি ৰোড নাইবা এ টি ৰোডৰ বিকল্প পথ

ল'বলৈ কোৱা হৈছে। একেদৰে চানমাৰি দিশৰ পৰা অহা ছিটীবাছ তথা অন্যান্য বাহনসমূহ পাণবজাৰৰ ছেচন ন্যায়াধীশৰ আদালতৰ সন্মুখেৰে ভৰলুমুখলৈ যাবলৈ নিৰ্দেশ দিয়া হৈছে।

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই ষট্ পূজা উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এই পূজাই বিশ্বাস, পৱিত্ৰতা, নিষ্ঠা আৰু গভীৰ সাংস্কৃতিক ঐতিহ্যৰ লগতে আধ্যাত্মিক প্ৰমূল্যক প্ৰতিফলিত কৰে বুলি ৰাজ্যপালগৰাকীয়ে মত প্ৰকাশ কৰিছে।

এই উৎসৱৰ প্ৰাক্‌মুহূৰ্তত ৰাজ্যৰ বিভিন্ন প্ৰান্তত বজাৰসমূহত বিভিন্ন ফল-মূল, শাক-পাচলি, পূজাৰ সামগ্ৰী আদিৰ পয়োভৰ দেখা গৈছে। বিশ্বনাথ জিলাৰ বিহালী, গহপুৰতো ষট্ পূজা পালনৰ প্ৰস্তুতি চলা পৰিলক্ষিত হৈছে। শিলচৰতো এই উৎসৱ উপলক্ষে বৰাক নদীৰ অন্নপূৰ্ণা ঘাট, ৰংপুৰ ঘাট, বৰম বাবা, এন আই টি শিলচৰৰ জলাশয়ৰ বিভিন্ন ঘাট ইতিমধ্যে সজাই তোলা হৈছে। কাছাৰ জিলা দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষই সকলো ভক্ত আৰু জনসাধাৰণৰ উদ্দেশ্যে বিভিন্ন নিৰ্দেশনা জাৰি কৰিছে। হোজাই জিলাৰ লংকা লংকেশ্বৰী ষট্ ঘাটত পূজা সমিতিয়ে দুদিনীয়া কাৰ্যসূচীৰে ষট্ পূজা পালনৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে।

০০০০০

ৰাজ্যখনৰ ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ বাবে জনগোষ্ঠীকেইটাৰ অন্তৰ্গত দল-সংগঠনে জনাই অহা দাবীৰ প্ৰতি অসম গণ পৰিষদ দলৰ পূৰ্ণ সমৰ্থন আছে বুলি দলৰ সভাপতি অতুল বৰাই প্ৰকাশ কৰিছে। তেওঁ কয়, যে আহোম, চুতীয়া, মৰাণ, মটক, কোচ-ৰাজবংশী আৰু চাহ জনগোষ্ঠীৰ লোকসকলে দীৰ্ঘদিন ধৰি জনজাতিকৰণৰ বাবে দাবী জনাই আহিছে। এই দাবীৰ প্ৰতি অসম গণ পৰিষদ দলে সমৰ্থন জনাই বুলি তেওঁ সাংবাদিকৰ আগত প্ৰকাশ কৰে।

**বাইট (অতুল বৰা)**

উল্লেখযোগ্য যে উজনি অসমত এই জনগোষ্ঠীকেইটাৰ দল-সংগঠনৰ নেতৃত্বত সাধাৰণ লোকসকলে দীৰ্ঘদিন ধৰি জনজাতিকৰণৰ দাবীত আন্দোলন চলাই আহিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কিছুদিন পূৰ্বে এই সন্দৰ্ভত জনগোষ্ঠীকেইটাৰ এই দাবী ন্যায্য বুলি প্ৰকাশ কৰাৰ লগতে নিৰ্দিষ্ট প্ৰক্ৰিয়াৰ মাধ্যমেৰে এই দিশত আগবাঢ়িব পৰা যাব বুলি উল্লেখ কৰিছিল। তেওঁ এই জনগোষ্ঠীকেইটাৰ লোকসকলৰ দাবী সোনকালেই পূৰণ হ'ব বুলিও আশ্বাস দিছিল।

০০০০০

গোলাঘাট বিধানসভা সমষ্টিৰ অন্তৰ্গত মেৰাপানী দৈয়াং উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অসম চৰকাৰৰ স্বাস্থ্য বিভাগে ৰাজ্যজুৰি আৰম্ভ কৰা শুশ্ৰুষা সেতু শীৰ্ষক স্বাস্থ্য শিবিৰৰ আয়োজন কৰা হয়। এই শিবিৰত বিশেষজ্ঞ চিকিৎকৰ দ্বাৰা ১৮ বছৰৰ তলৰ প্ৰত্যেক শিশু তথা কিশোৰ-কিশোৰীৰ স্বাস্থ্য পৰীক্ষা সম্পন্ন কৰা হৈছে। বিত্ত মন্ত্ৰী অজন্তা নেওগে আজি পুৱা এই স্বাস্থ্য শিবিৰৰ শুভাৰম্ভণি কৰে। কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাই এই শিবিৰত অংশগ্ৰহণ কৰি ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগে ৰাজ্যজুৰি গ্ৰহণ কৰা এই আঁচনিখনৰ কথা ৰাইজক অৱগত কৰে আৰু ইয়াৰ সুবিধা গ্ৰহণৰ বাবে আহ্বান জনায়।

শোণিতপুৰ জিলাৰ ন-দুৱাৰ সমষ্টিৰ জামুগুৰিহাটৰ পকামূৰা পথাৰত আজি স্বাস্থ্য মেলা অনুষ্ঠিত হয়। ৫০গৰাকী বিশেষজ্ঞ চিকিৎসকে চিকিৎসা আগবঢ়োৱা এই মেলাত ১৮ বছৰ তলৰ ল'ৰা-ছোৱালীৰ স্বাস্থ্য পৰীক্ষা কৰোৱাৰ লগতে বিনামূলীয়াকৈ ঔষধ প্ৰদান কৰা হয়। সমষ্টিটোৰ ১০ হাজাৰৰো অধিক লোকে এই মেলাত স্বাস্থ্য পৰীক্ষা কৰে। স্বাস্থ্য পৰীক্ষা কৰি জটিল ৰোগত আক্ৰান্ত বুলি নিশ্চিত হোৱাসকলক উন্নত চিকিৎসাৰ বাবে প্ৰেৰণ কৰা হৈছে।

০০০০০

অৰুণাচল প্ৰদেশৰ নামচাইত ৰাজ্যখনৰ আৰক্ষী আৰু আছাম ৰাইফলছৰ যুটীয়া অভিযানত আজি পুৰা আলফা স্বাধীনৰ এজন সদস্যক গ্ৰেপ্তাৰ কৰা হয়। সদস্যজন তিনিচুকীয়া জিলাৰ বাৰেকুৰিৰ বাসিন্দা অনুপম দহোটিয়া ওৰফে থাউচেন অসম বুলি জানিব পৰা গৈছে। সুৰক্ষা বাহিনীৰ সূত্ৰই প্ৰকাশ কৰা মতে ১৭ অক্টোবৰত তিনিচুকীয়াৰ কাকপথাৰৰ সেনাবাহিনীৰ শিবিৰত সংঘটিত আক্ৰমণৰ ঘটনাত এই সদস্যজন জড়িত আছিল। ধৃত সদস্যজনৰ পৰা এটা ৰাইফল, ১৫১ ৰাউণ্ড গুলী, গ্ৰেনেডকে ধৰি বুজন পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ আৰু গোলাবাৰুদ জব্দ কৰা হৈছে। নামচাই আৰক্ষীয়ে সম্প্ৰতি তেওঁক সোধাত-পোছা কৰি আছে।

০০০০০

অসমত আন্তঃৰাজ্যিক পাৰপত্ৰ ব্যৱস্থা প্ৰৱৰ্তন তথা সাম্প্ৰতিক জনগোষ্ঠীয় কাৰ্যপ্ৰণালীক পাৰস্পৰিক সহযোগিতা সন্দৰ্ভত আজি অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ আৰু প্ৰায় ২৫টা জাতি-জনগোষ্ঠীৰ ছাত্ৰ সংগঠনৰ নেতাসকলৰ মাজত এখন সভা অনুষ্ঠিত হয়। সভাৰ পাছত এখন সংবাদমেলত পৰিষদৰ সভাপতি পলাশ চাংমাই আৰু সাধাৰণ সম্পাদক বিজন বায়নে বৰ্তমান সময়ত জাতি-জনগোষ্ঠীৰ মাজত একতা তথা ভাতৃত্ববোধৰ প্ৰতি পাৰস্পৰিক সহযোগিতা অধিক সুদৃঢ় হোৱা উচিত বুলি উল্লেখ কৰে। তেওঁলোকে লগতে অসমত আন্তঃৰাজ্যিক পাৰপত্ৰ ব্যৱস্থা প্ৰৱৰ্তনৰ ক্ষেত্ৰত জাতি-জনগোষ্ঠীসমূহৰ মাজত সহযোগিতা বৃদ্ধি পোৱাৰ বিষয়তো গুৰুত্ব আৰোপ কৰে। এই সভাত অসমৰ খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ ভূমিৰ অধিকাৰ যাতে কোনো কাৰণতে বহিৰাগত বা সন্দেহজনক নাগৰিকৰ হাতলৈ যাব নোৱাৰে এইক্ষেত্ৰত শেহতীয়াকৈ বৰপেটা আৰু বৰদোৱা সত্ৰৰ ৫ কিলোমিটাৰ ব্যাসাৰ্ধত তিনিটা প্ৰজন্ম ধৰি বসবাস কৰা লোকৰ মাজত মাটি ক্ৰয়-বিক্ৰয়ৰ যি চৰকাৰী নীতি সেয়া সমগ্ৰ ৰাজ্যতে প্ৰযোজ্য কৰাৰ বাবে দাবী জনাই প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

০০০০০

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাৰ উপস্থিতিত আজি ৰাজ্যৰ জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই নাজিৰাৰ নাহৰগুৰি হাবিগাঁও খেলপথাৰত ডেঞ্চি, দৈখনা আৰু নামদাং নৈৰ খনন আঁচনিৰ শুভাৰম্ভ কৰে। ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ উন্নয়ন পুঁজিৰ ৮ কোটি টকাৰে জলসম্পদ বিভাগে এই খনন কাৰ্য সম্পন্ন কৰিবলৈ লৈছে। জলসম্পদ মন্ত্ৰীগৰাকীয়ে খনন কাৰ্যৰ শুভাৰম্ভ কৰি কয় যে এই এলেকাত কাষৰীয়া পাহাৰৰ পৰা বোকা-মাটি খহি অহাৰ ফলত নৈকেইখনত পানীৰ বহনক্ষমতা হ্ৰাস পাইছিল আৰু খেতিপথাৰত পলস পৰিছিল। সেয়েহে নৈকেইখন খনন কৰি পানীৰ চলাচল পূৰ্বৰ দৰে কৰি তোলাৰ লগতে কৃষি কাৰ্য সুচল কৰাৰ বাবে এই পদক্ষেপ লোৱা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ইয়াৰ ফলত নাজিৰাৰ গেলেকী, ন-পুখুৰী, পিয়লি ফুকন আৰু ৰজাভেটা গাঁও পঞ্চায়তৰ কুৰিখনৰো অধিক গাঁৱৰ ৰাইজে সন্মুখীন হৈ অহা বা,নৰ সমস্যা সমাধান হ'ব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। তেওঁ লগতে দিখৌ নৈৰ ৩০ কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰি নিৰ্মাণৰ প্ৰতিশ্ৰুতি দিয়ে।

০০০০০

উত্তৰ-পূব সীমান্ত ৰে'লৰেই কাইলৈৰ পৰা ২ নৱেম্বৰলৈ সতৰ্কতা সজাগতা সপ্তাহ পালন কৰিব। এই বছৰ এই সপ্তাহৰ বিষয়বস্তু হৈছে সতৰ্কতা, আমাৰ সামূহিক দায়বদ্ধতা। কেন্দ্ৰীয় সতৰ্কতা আয়োগৰ নিৰ্দেশ অনুসৰি ৰে'লৰেই সমগ্ৰ মণ্ডলটোত প্ৰতিৰোধমূলক সতৰ্কতা ব্যৱস্থা শক্তিশালী কৰাৰ লক্ষ্যৰে ১৮ আগষ্টৰ পৰা ১৭ নৱেম্বৰলৈ অভিযান ৰূপায়ণ কৰিছে। ৰে'লৰেৰ কাম-কাজৰ সকলো স্তৰত সততা, স্বচ্ছতা আৰু দায়বদ্ধতা অক্ষুণ্ণ ৰখাৰ বাবে এই কাৰ্যসূচী লোৱা হৈছে। এই অনুসৰি কাইলৈ উত্তৰ-পূব সীমান্ত ৰে'লৰেৰ মুখ্য কাৰ্যালয়ত

মহাপ্ৰবন্ধৰ কাৰ্যালয়ৰ সন্মুখত সততাৰ শপত গ্ৰহণ কৰা হ'ব। সপ্তাহজোৰা উদযাপনৰ অংশ হিচাপে ৰে'লৰে কৰ্মচাৰী আৰু সাধাৰণ ৰাইজৰ মাজত সজাগতা সৃষ্টি কৰিবলৈ মত-বিনিময় অনুষ্ঠান আৰু আলোচনা চক্ৰৰ আয়োজন কৰা হৈছে।

ooooo

দৰং জিলাৰ চিপাঝাৰ থানাৰ অন্তৰ্গত মহলীয়াপাৰাৰ ছিপাঝাৰ-টংলা সংযোগী পথত আজি হোৱা এটা পথ দুৰ্ঘটনাত এজন মটৰ চাইকেল আৰোহী নিহত হয়। নিহত যুৱকজন সৰাবাৰী গাঁও নিবাসী সীমান্ত কলিতা বুলি চিনাক্ত কৰা হৈছে। মটৰ চাইকেলেৰে ছিপাঝাৰৰ দিশে গৈ থকা অৱস্থাত এখন শিল কঢ়িওৱা ডাম্পাৰে খুন্দিওৱাত দুৰ্ঘটনাটো সংঘটিত হয়। আৰক্ষীয়ে ডাম্পাৰখন জব্দ কৰে যদিও চালকজনে পলায়ন কৰে।

ooooo

যোৱা ২২ অক্টোবৰৰ পৰা বঙাইগাঁৱৰ গান্ধী ময়দানত দ্বিতীয় বঙাইগাঁও গ্ৰন্থমেলা আৰম্ভ হৈছে। অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাই যুটীয়াভাৱে আয়োজন কৰা এই গ্ৰন্থমেলা সম্পৰ্কত আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটিৰ বিৱৰণ বঙাইগাঁৱৰ সংবাদদাতা তেজছ ত্ৰিপাঠীৰ আৰু প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

ooooo

বঙাইগাঁও জিলাৰ মেৰেৰচৰ আৰক্ষীয়ে অভিযান চলাই শিমলাবাৰী গাঁৱৰ ২ নম্বৰ বিকল্প ৰাজ্যিক ঘাইপথৰ দাঁতিত মাদক দ্ৰব্যসহ এজন যুৱকক আজি আটক কৰে। যুৱকজনৰ পৰা দুটা চাবোনৰ বাকচত ভৰাই অনা প্ৰায় ৪০ গ্ৰাম মাদক দ্ৰব্য জব্দ কৰা হৈছে। আৰক্ষীয়ে অধিক তথ্যৰ বাবে যুৱকজনক জেৰা কৰি আছে।

ooooo

সমাপ্ত